আল্লা -হুম্মা ইন্নি আছআলুকাল আ -ফিয়াহ ফিদ দুনিয়া অল আ-খিৰাহ

ইবনে ওমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত , তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কেতিয়াও পুৱা গধূলি এই দুআটো পাঠ নকৰাকৈ থকা নাছিল। উচ্চাৰণঃ "আল্লা -হুম্মা ইন্নি আছআলুকাল আ -ফিয়াহ ফিদ দুনিয়া অল আ-খিৰাহ , আল্লা -হুম্মা ইন্নি আছআলুকাল আফৱা অল আ-ফিয়া ফী দ্বীনি , অদুনিয়ায়ী , অ আহলি, অ মা-লী, আল্লা -হুম্মাছ তুৰ আউৰা-তি, ৱা আ-মিন ৰাউআ-তি, আল্লা -হুম্মাহফিজনি মিন বাইনা য়াদায়্যা , অমিন খালফি, ৱা আন য়ামীনি , অ আন শ্বিমা-লি, অমিন ফাউকি, অ আউজু বিআজমাতিকা আন উগতা-লা মিন তাহতি ”। অৰ্থ : হে আল্লাহ ! মই তোমাৰ ওচৰত দুনিয়া আৰু আখিৰাতত নিৰাপত্তা বিচাৰোঁ। হে আল্লাহ ! মই মোৰ দ্বীন , মোৰ দুনিয়া , মোৰ পৰিয়াল আৰু মোৰ সম্পদৰ বাবে তোমাৰ ওচৰত ক্ষমা বিচাৰোঁ আৰু নিৰাপদ কামনা কৰোঁ। হে আল্লাহ ! মোৰ পৰ্দা কৰা অংগসমূহৰ ওপৰত পৰ্দা কৰি দিয়া। মোৰ ভয় -ভীতি দূৰ কৰি শান্তি বিৰাজ কৰা। হে আল্লাহ ! মোৰ সন্মুখৰ পৰা , মোৰ পিছফালৰ পৰা মোৰ সোঁফালৰ পৰা, মোৰ বাওঁফালৰ পৰা আৰু মোৰ ওপৰৰ পৰা মোক সুৰক্ষা প্ৰদান কৰা। আকস্মিক তলৰ পৰা ধ্বংস হোৱাৰ পৰাও মই তোমাৰ আশ্ৰয় বিচাৰোঁ।

[ছহীহ] [(আবু দাঊদ, ইবনে মাজাহ, নাছায়ী , আহমদ)]

পুৱা গধূলি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কেইটা দুআ নপঢ়াকৈ কেতিয়াও থকা নাছিলঃ (اللهم إني أسألُكَ العافيةَ) অৰ্থাৎ হে আল্লাহ ! তুমি মোক দুনিয়াৱী সকলো বিপদ -আপদ, বেমাৰ-আজাৰৰ পৰা ৰক্ষা কৰা , নিকটৱৰ্তী আৰু দূৰৱৰ্তী দুনিয়াতে হওক বা আখিৰাতত সকলো প্ৰকাৰ ফিতনাৰ পৰা মোক ৰক্ষা কৰা। (اللهمَّ إني أسألُكَ العفو) অৰ্থাৎ হে আল্লাহ ! মই তোমাৰ ওচৰত সকলো প্ৰকাৰৰ গুনাহ আৰু সীমালংঘনৰ বাবে ক্ষমা বিচাৰোঁ। (والعافيةَ) তুমি মোক সকলো প্ৰকাৰ দোষ -ক্ৰুটিৰ পৰা ৰক্ষা কৰা। (في دِيني) দ্বীনি ক্ষেত্ৰত শ্বিৰ্ক বিদআতৰ পৰা আৰু বিভিন্ন প্ৰকাৰৰ গুনাহৰ পৰা। (ودنياي) দুনিয়াৱী ক্ষেত্ৰত সকলো প্ৰকাৰ বিপদ আপদ আৰু অনিষ্টৰ পৰা। (وأهلِي) আৰু মোৰ স্ত্ৰী , সন্তান -সন্ততি আৰু আত্মীয়ৰ অনিষ্টৰ পৰা। (ومالي) লগতে মোৰ ধন-সম্পদ আৰু কৰ্মৰ অনিষ্টৰ পৰা। (اللهم استرْ عَوراتي) অৰ্থাৎ হে আল্লাহ ! মোৰ ভিতৰত থকা দোষ-ক্ৰুটি , ভুল-ভ্ৰান্তিক ঢাকি দিয়া আৰু মোৰ গুনাহ ক্ষমা কৰি দিয়া। (وآمِن رَوْعاتي) লগতে মোৰ ভয়-ভীতি দূৰ কৰি নিৰাপত্তা প্ৰদান কৰা। (اللهم احفظْني) অৰ্থাৎ হে আল্লাহ ! মোক বিপদ-আপদ, সংকট আদিৰ পৰা ৰক্ষা কৰা। (من بين يديَّ ومِن خلفي، وعن يميني وعن شمالي، ومن فوقي) সকলো দিশৰ পৰা মোক সুৰক্ষা প্ৰদান কৰা। সন্মুখৰ পৰা পিছফালৰ পৰা , সোঁফালৰ পৰা বাওঁফালৰ পৰা আৰু ওপৰৰ পৰা অহা বিপদৰ পৰা ৰক্ষা কৰা , কাৰণ আপদ-বিপদ এইবোৰ দিশৰ পৰাই আহে। (وأعوذُ بعظمتك أن أُغْتَال) অৰ্থাৎ মই তোমাৰ মহান সত্তাৰ অছিলাৰে তোমাৰ আশ্ৰয় প্ৰাৰ্থনা কৰোঁ , তুমি মোক আকস্মিক (من تحتي) মোৰ তলৰ পৰা অহা ধ্বংসৰ পৰা ৰক্ষা কৰা , যেনে-ভূমিস্খলন আদি।

http://sunnah.global/hadeeth/as/show/5485